জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ২১৩/২০২২

# জাতিগত প্ৰমাণপত্ৰ ডিজিটেল ৰূপত সহজে লাভ কৰাৰ অনলাইন মাধ্যম 'মিছন ভূমিপুত্ৰ'ৰ শুভ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

## ৰাজ্য চৰকাৰে প্ৰকাশ কৰিব জনজাতি ভূমি নীতি ঃ মুখ্যমন্ত্ৰী

## মিনিমাম গৱৰ্ণমেণ্ট এণ্ড মেক্সিমাম গৱৰ্ণনেন্সৰ লক্ষ্যৰে জাতি-জনগোষ্ঠীসমূহৰ জীৱনলৈ পৰিৱৰ্তন আনিবলৈ নিৰন্তৰ প্ৰয়াস অব্যাহত আছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১ আগষ্ট ঃ** ৰাজ্যৰ জাতিগত প্ৰমাণপত্ৰ প্ৰদান ব্যৱস্থাটোৰ যুগান্তকাৰী পৰিৱৰ্তন সাধনেৰে আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই 'মিছন ভূমিপুত্ৰ'ৰ শুভ উদ্বোধন কৰে। জনজাতি পৰিক্ৰমা (ভৈয়াম) আৰু সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজন কৰা এক অনুষ্ঠানত জনসাধাৰণলৈ সহজলভ্য সেৱা আগবঢ়োৱাৰ অন্যতম অংশ হিচাপে জাতিগত প্ৰমাণপত্ৰ ডিজিটেল ৰূপত সহজে লাভ কৰা অনলাইন মাধ্যমৰ শুভ উদ্বোধন কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে এই ব্যৱস্থাৰ জৰিয়তে অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ ছাত্ৰ-ছাত্ৰীসকলে অতি দ্ৰুত আৰু স্বচ্ছতাৰে জাতিগত প্ৰমাণপত্ৰ লাভ কৰিবলৈ সমৰ্থ হ'ব।

মুখ্যমন্ত্ৰীয়ে কয় যে মিছন ভূমিপুত্ৰৰ জৰিয়তে ৰাজ্য চৰকাৰে দুটা স্তম্ভ নিৰ্মাণ কৰিব বিচাৰিছে। আজিৰে পৰা মেনুৱেল পদ্ধতিৰে কোনো ধৰণৰ জাতিগত প্ৰমাণপত্ৰ প্ৰদান কৰা নহয়। তেওঁ লগতে কয় যে ৮ আগষ্টৰ পৰা উপায়ুক্তসকলে বিদ্যালয় প্ৰধানক জাতিগত প্ৰমাণপত্ৰৰ বাবে আবেদনপত্ৰ দিব। এনে আবেদনপত্ৰসমূহ পূৰণ কৰি উপায়ুক্তক দিব। উপায়ুক্তসকলে জাতিগত সংগঠনসমূহলৈ এই আবেদনপত্ৰখন প্ৰেৰণ কৰিব। উপায়ুক্তসকলে এনে সংগঠনৰ লগত বৈঠক অনুষ্ঠিত কৰি এটা প্ৰটকল তৈয়াৰ কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এনে প্ৰমাণপত্ৰ প্ৰদানৰ ক্ষেত্ৰত কিবা সন্দেহ থাকিলে পুনৰীক্ষণৰ ব্যৱস্থাও থাকিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। ডিজিটেল মাধ্যমেৰে প্ৰদান কৰিবলগীয়া এই প্ৰমাণপত্ৰ উপায়ুক্তই স্বাক্ষৰ কৰিব আৰু ডিজি লকাৰত উপলব্ধ হ'ব। বিদ্যালয় প্ৰধানে প্ৰথম বৰ্ষত মন্ত্ৰী, বিধায়কসকলৰ উপস্থিতিত সভা অনুষ্ঠিত কৰি এই ডিজিটেল প্ৰমাণপত্ৰ প্ৰদান কৰিব বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে পূৰ্বতে ভাৰত চৰকাৰৰ বিভিন্ন পদবীত নিযুক্তিৰ সময়ত এনে প্ৰমাণপত্ৰত উপায়ুক্তৰ স্বাক্ষৰ নথকা বাবে অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈছিল। মিছন ভূমিপুত্ৰই সেই অসুবিধা আঁতৰ কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা ল'বলৈ সক্ষম হ'ব বুলিও

মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে অহা বছৰৰ পৰা অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে আবেদন দিয়া হ'ব। মুখ্যমন্ত্ৰীয়ে কয় যে এই মিছন ভূমিপুত্ৰ আঁচনিখন মুখ্যমন্ত্ৰীৰ ডেচ ব'ৰ্ডৰ সৈতেও সংলগ্ন থাকিব। সমগ্ৰ প্ৰক্ৰিয়াটো মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ৰ পৰাও ইয়াৰ জৰিয়তে নিৰীক্ষণ সম্ভৱ হৈ উঠিব। এইক্ষেত্ৰত জনসচেতনতা সৃষ্টিৰ বাবে জনজাতি পৰিক্ৰমা (ভৈয়াম) আৰু সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগ, উপায়ুক্তসকলক মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়।

মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে জনজাতীয় লোকসকলৰ ভূমি সমস্যা সমাধানৰ ওপৰত সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছে। ৰাজ্য চৰকাৰে মিছন বসুন্ধৰা-২ৰ লগতে জনজাতি ভূমি নীতি প্ৰকাশ কৰিব। জনজাতি ভূমি নীতি সম্পৰ্কত বাজেটত উল্লেখ কৰা হৈছে বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে পূৰ্বতে চিলিং আইনত নিৰ্দিষ্ট ভূমিহে জনজাতীয় লোকসকলে ৰাখিব পাৰিছিল। এই নতুন ভূমি নীতিৰ জৰিয়তে চিলিং এক্টৰ ৫০ বিঘা ভূমি ৰখাৰ সুবিধা প্ৰদান কৰা হ'ব বুলিও তেওঁ কয়। তেওঁ লগতে কয় যে ভিলেজ গ্ৰেজিঙৰ মাটি জনজাতীয়সকলক দিয়াৰ বিষয়টো ৰাজ্য চৰকাৰে চিন্তা-চৰ্চা কৰি আছে। এইক্ষেত্ৰত জনজাতীয় সংগঠনসমূহৰ লগতো আলোচনা কৰা হ'ব। যদি চৰকাৰী মাটিত জনজাতীয় লোকসকলে গৃহ নিৰ্মাণ কৰি আছে তেওঁলোকক ন্যূনতম ক্ষতিপূৰণ দিয়াৰ কথাও ৰাজ্য চৰকাৰে বিবেচনা কৰি আছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

অৰ্থনৈতিকভাৱে দুৰ্বল শ্ৰেণী (ই ডব্লিউ এছ) প্ৰমাণপত্ৰৰ বিষয়টো উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে এই বিষয়টোত যথেষ্ট গুৰুত্ব আৰোপ কৰিছে। অষ্টম শ্ৰেণীৰ পৰা ই ডব্লিউ এছ প্ৰমাণপত্ৰ প্ৰদান কৰা হ'ব বুলিও তেওঁ কয়। অহা ১ৰ পৰা ১৫ ছেপ্টেম্বৰলৈ ই ডব্লিউ এছ সম্পৰ্কত সজাগতামূলক সভা আয়োজন কৰা হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই সন্দৰ্ভত উপায়ুক্তসকলে বৈঠক অনুষ্ঠিত কৰিব। উপযুক্ত সজাগতামূলক ব্যৱস্থা নকৰাৰ বাবে কেৱল চাৰিখন জিলাৰ ছাত্ৰ-ছাত্ৰীসকলেহে এই সুবিধাৰ প্ৰতি আগ্ৰহী হৈ আছে বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে অন্যান্য পিছপৰা শ্ৰেণীৰ হোৱা সত্বেও কিছু সংখ্যক লোক এতিয়াও প্ৰমাণপত্ৰ পোৱাৰ পৰা বঞ্চিত হৈ আছে। কেতবোৰ অসুবিধাৰ বাবে তেওঁলোকে অ'বিচিৰ প্ৰমাণপত্ৰ লাভ কৰা নাই। অ'বিচিৰ বিষয়টো যিহেতু অসম চৰকাৰৰ অধীনত আৰু সেইবাবে ৰাজ্য চৰকাৰে এই দিশত প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব।

নৰেন্দ্ৰ মোদীয়ে ২০১৪ চনত প্ৰধানমন্ত্ৰীৰ দায়িত্ব গ্ৰহণ কৰাৰ পিছতে মিনিমাম গৱৰ্ণমেণ্ট এণ্ড মেক্সিমাম গৱৰ্ণনেন্সৰ লক্ষ্যৰে জাতি-জনগোষ্ঠীসমূহৰ জীৱনলৈ গুণগত পৰিৱৰ্তন কঢ়িয়াই আনিবলৈ নিৰন্তৰভাৱে কাম কৰি থকাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰেও সেই লক্ষ্যৰে জনসেৱাৰ পদ্ধতিবোৰ সৰলীকৃত কৰি জনসাধাৰণে যাতে অতি সহজে সেৱাসমূহ লাভ কৰিব পাৰে সেই দিশত গুৰুত্ব প্ৰদান কৰি আহিছে। বিভিন্ন ক্ষেত্ৰত জনসেৱাৰ প্ৰক্ৰিয়াটো ডিজিটেলাইজেচন কৰাৰ বাবে জনসাধাৰণে আজি অতি সহজে আৰু স্বচ্ছতাৰে নিজৰ সেৱা লাভ কৰিবলৈ সক্ষম হৈছে। ইয়াৰ ফলত মধ্যভোগীৰ ব্যৱস্থাটোৰ অৱসান হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰতিটো মুহূৰ্ততে ৰাইজে চৰকাৰী ব্যৱস্থাৰ পৰা হাৰাশাস্তিৰ সন্মুখীন হ'বলগীয়া হোৱা বাবে ক্ষুব্ধ হৈ পৰে আৰু তেওঁলোকে প্ৰাপ্য সুবিধাৰ

পৰাও বঞ্চিত হ'বলগীয়া হয়। বৰ্তমানৰ চৰকাৰৰ বিগত সময়ছোৱাত এই সমগ্ৰ জটিল ব্যৱস্থাটোৰ অৱসান ঘটোৱাৰ বাবে নিৰন্তৰ কাম কৰি আহিছে। বহুকেইটা প্ৰক্ৰিয়া ডিজিটেলাইজেচন কৰাৰ ফলত চৰকাৰী সেৱাসমূহ অধিক জনমুখী হৈ পৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

আজিৰ এই অনুষ্ঠানত অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে ভাষণ প্ৰদান কৰে। অনুষ্ঠানত অসম বিধানসভাৰ উপাধ্যক্ষ ডাঃ নোমল মমিন, জনজাতি পৰিক্ৰমা (ভৈয়াম) আদি বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু, নগৰ উন্নয়ন আদি বিভাগৰ মন্ত্ৰী অশোক সিংহল, সামাজিক ন্যায় আৰু সবলীকৰণ আদি বিভাগৰ মন্ত্ৰী পীযুষ হাজৰীকা, হস্ততাঁত আৰু বস্ত্ৰ শিল্প আদি বিভাগৰ মন্ত্ৰী ইউ জি ব্ৰহ্ম, শক্তি আদি বিভাগৰ মন্ত্ৰী নন্দিতা গাৰ্লোছা, জনস্বাস্থ্য কাৰিকৰী আদি বিভাগৰ মন্ত্ৰী জয়ন্তমল্ল বৰুৱা, উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দেবোলাল গাৰ্লোছা, মুখ্য সচিব জিষ্ণু বৰুৱা, অসম চৰকাৰ উচ্চপদস্থ বিষয়াৰ লগতে বিভিন্ন জাতি-জনগোষ্ঠী সংগঠনৰ প্ৰতিনিধিবৰ্গ আৰু গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**হেঃশাঃ**
**১/০৮/২০২২**